দেওবৰীয়া

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...তিতম বছৰ, সংখ্যা ১৫৯ ● দেওবাৰ ● ৩ ফাগুন ১৯৪৬ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Sunday February 16, 2025 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁৱৰপ...



### ডিব্ৰুগড় বিশ্ববিদ্যালয়ত জাছিংফা ১.০-ত অসম সাহিত্য সভাৰ সভাপতি

## ‘গ্ৰন্থ অধ্যয়নে জীৱন মহীয়ান কৰি তোলে’



**ডিব্ৰুগড়ঃ** ষ্টাফ ৰিপৰ্টাৰ, ১৫ ফেব্ৰুৱাৰী ঃ ‘গ্ৰন্থ অধ্যয়নে জীৱন মহীয়ান কৰি তোলে।’ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ টাই আহোম ছাত্ৰ সমাজৰ উদ্যোগত জাছিংফা ১.০ শীৰ্ষক সমাৰোহৰ গ্ৰন্থ মেলা উদ্বোধন কৰি অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে আজি এইদৰে কয়। ড° গোস্বামীয়ে কয়— কিতাপ বা গ্ৰন্থ যিসকলে অধ্যয়ন কৰে সেইসকলে জীৱনকো মহৎ আৰু মহীয়ান কৰি তুলিব পাৰে। তেওঁ কয়— অসমত পাঠকৰ জৰীপ হোৱা উচিত। কি কিতাপ, কেনেকুৱাধৰণৰ কিতাপ পঢ়িব লাগে সেইসমূহৰ আজিলৈকে ১৩ পিঠিলৈ

### উদ্যমী সন্মিলনত

## কলিয়াবৰৰ গ্ৰন্থমে...



**কলিয়াবৰ ঃ** নিজা বাতৰি দিওঁতা, ১৫ ফেব্ৰুৱাৰী ঃ প্ৰজন্মৰ উদ্যোগত কলিয়াবৰৰ কুঁৱৰীটোলত আয়োজিত গ্ৰন্থমেলাত আজি পঞ্চম দিনত অনুষ্ঠিত হয় উদ্যমী সন্মিলন। অসমৰ কেইবাজনো বিশিষ্ট উদ্যোগপতিৰ উপস্থিতিত অনুষ্ঠিত ব্যতিক্ৰমী সন্মিলন সঞ্চালনা কৰে কলিয়াবৰৰ প্ৰাক্তন মহকুমাধিপতি তথা ধেমাজি জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী

নগাঁৱত উৎকোচ নিদিয়াৰ ...

